**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-MAR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ শুভাৰম্ভ। ভাৰ্চুৱেলী ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ তথা আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ।

৩। প্ৰতিকুল বতৰৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাজিৰঙা বনাঞ্চলত কাইলৈৰ পৰা ১৯ মাৰ্চলৈ জীপ আৰু হাতী ছাফাৰী বন্ধ।

৪। প্ৰখ্যাত তামিল কবি, ঔপন্যাসিক ভৈৰামুথুলৈ ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা। **আৰু**

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ আজি নতুন দিল্লীত নমন বঁটা ২০২৬ অনুষ্ঠান। ৰ'জাৰ ৱিনি আৰু ৰাহুল দ্ৰাবিদলৈ জীৱনজোৰা সাধনা বঁটা।

oooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দুপৰীয়াৰ ভাগত গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰাৰ লগতে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট, বৰপেটা, অভয়াপুৰী ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু গুৱাহাটী স্বাস্থ্য ভৱন আৰু অভয়াপুৰী জিলা চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিব।

দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি গুৱাহাটীত উপস্থিত হৈ ৰাজ্যিক অতিথিশালাত নিশাটো কটায়। চৰকাৰী কাৰ্যসূচীৰ লগতে গৃহমন্ত্ৰীগৰাকীয়ে আজি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহতো অংশগ্ৰহণ কৰিব।

oooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে কালি নিশা দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালৰ দ্বাৰা স্বাক্ষৰিত পত্ৰখনৰ অনুসৰি কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। এই তালিকা অনুসৰি গোলকগঞ্জ সমষ্টিত কাৰ্তিক চন্দ্ৰ ৰয়, বীৰছিং জাৰুৱা সমষ্টিত ৱাজেদ আলী চৌধুৰী, বিলাসীপাৰাত অমৃত বাদছা, মানকাচৰ সমষ্টিত মহিবুৰ ৰহমান, পূব গোৱালপাৰাত আবুল কালাম ৰছিদ আলম, দুধনৈত কিশোৰ কুমাৰ ব্ৰহ্ম, সৃজনগ্ৰামত নুৰুল ইছলাম, মন্দিয়াত আব্দুল খালেক, ছমৰীয়াত ৰেকিবুদ্দিন আহমেদ, ৰঙিয়াত প্ৰাণজিৎ চৌধুৰী, ডিমৰীয়াত কিশোৰ কুমাৰ বৰুৱা, নিউ গুৱাহাটীত শান্তনু বৰা, মঙলদৈত ৰিজুমণি তালুকদাৰ, হোজাইত জিল্লী চৌধুৰী, ঢেকীয়াজুলিত বাতাছ ওৰাং, ৰঙাপাৰাত কাৰ্তিক চন্দ্ৰ কুৰ্মী, গহপুৰত শংকৰ কুটুম, ধেমাজিত শৈলেন সোণোৱাল, তিনিচুকীয়াত ডেভিদ ফুকন, টিংখাঙত বিপুল গগৈ, দেৰগাঁৱত সাগৰিকা বৰা, ঢলাইত ধ্ৰুৱজ্যোতি পুৰকায়স্থ, দক্ষিণ কৰিমগঞ্জ সমষ্টিত আমিনুৰ ৰছিদ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে কংগ্ৰেছৰ মিত্ৰদলক দিয়া সমষ্টিকেইটা হ'ল- ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বঢ়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী। ইয়াৰে ১১টা সমষ্টিত অসম জাতীয় পৰিষদ, দুটা সমষ্টিত এ পি এইচ এল চি আৰু দুখন আসন চি পি আই এম এলৰ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াব। উল্লেখযোগ্য যে কংগ্ৰেছে ইয়াৰ পূৰ্বে ৪২টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নামেৰে প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। কালি প্ৰকাশিত কংগ্ৰেছৰ প্ৰাৰ্থীৰ তালিকাত নাম সন্নিৱিষ্ট নোহোৱাত কংগ্ৰেছ নেতা কুশল শৰ্মাই দলৰ সকলো বিষয়বাবৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। কংগ্ৰেছৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি ইতিমধ্যে ৰাইজৰ দলে মিত্ৰতাৰ পৰা বাহিৰ হৈছে। ৰাইজৰ দলে কালিৰ দিনটোতে দুটা সমষ্টিৰ প্ৰাৰ্থীৰ নামেৰে তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি ৰাইজৰ দলৰ হৈ নাওবৈচা সমষ্টিত হৰিকান্ত দাস আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ধেমাজি সমষ্টিত বাবুল সোণোৱালক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইপিনে কালিৰ এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা অনুসৰি বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাকৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব। অগপ-বিজেপিৰ আসন বাটোৱাৰা সম্পৰ্কত কালি গুৱাহাটীত নিশা কটোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাৰ অন্তত আজি প্ৰকাশ কৰা হ'ব বুলিও একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়।

**বাইট (চি এম)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছত ৰাজ্যৰ ভিন্ন প্ৰান্তত চাহ শ্ৰমিকক ভূমিপট্টা প্ৰদান কৰা হয়। চৰকাৰৰ এই ব্যৱস্থাৰ অংশস্বৰূপে বিশ্বনাথ জিলাৰ লেবাৰলাইনত ভূমি বন্দোৱস্তিৰ ডিজিটেল ভূমিপট্টা বিতৰণ কৰা হয়। গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই শ্ৰমিকসকলক হাতত ডিজিটেল ভূমিপট্টা বিতৰণ কৰে। ভূমিপট্টা লাভ কৰি চাহ শ্ৰমিকসকল উৎফুল্লিত হৈ পৰে। এই ভূমিপট্টা বিতৰণ সন্দৰ্ভত উৎপল বৰাই এনেদৰে কয়—

**বাইট (উৎপল বৰা)**

০০০০০০

প্ৰতিকুল বতৰৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাজিৰঙা বনাঞ্চলত কাইলৈৰ পৰা ১৯ মাৰ্চলৈ জীপ আৰু হাতী ছাফাৰী বন্ধ থাকিব। আনহাতে বাগৰি বনাঞ্চলত জীপ আৰু হাতী ছাফাৰী অব্যাহত থকাৰ বিপৰীতে বুঢ়াপাহাৰ আৰু অগৰাতলি বনাঞ্চলত পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

প্ৰখ্যাত তামিল কবি, ঔপন্যাসিক ভৈৰামুথুক ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছে। সুদীৰ্ঘ ২০ বছৰৰ পাছত এইবাৰ তামিল সাহিত্যিকে এই বঁটা লাভ কৰিছে। ইয়াৰ পূৰ্বে তামিল লেখক আকিলন আৰু দায়াকণ্ঠনে এই বঁটা লাভ কৰিছিল। ১৯৭২ চনত ভৈগাৰায় মেগানগাল নামৰ কবিতা সংকলনেৰে সাহিত্য জীৱন আৰম্ভ কৰা ভৈৰামুথুৱে এতিয়ালৈকে ৪০ খন গ্ৰন্থ প্ৰকাশ কৰিছে। আনহাতে বিখ্যাত গীতিকাৰ হিচাপেও পৰিচিত ভৈৰামুখুৰে তামিল ছবিত সাত হাজাৰ ৫০০ৰো অধিক গীত ৰচনা কৰি সাতবাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাও লাভ কৰিছে। ২০০৩ চনত তেওঁলৈ **কাল্লিক্কাটু হথিকাছম** নামৰ উপন্যাসখনৰ বাবে সাহিত্য অঁকাডেমী বঁটা আগবঢ়োৱা হৈছিল। ইয়াৰ পূৰ্বে তেওঁক পদ্মশ্ৰী আৰু পদ্মভূষণ সন্মানেৰে সন্মানিত কৰা হৈছিল। জ্ঞানপীঠ বঁটাৰ লগতে আছে এখন প্ৰশস্তি পত্ৰ, ১১ লাখ টকা আৰু দেৱী সৰস্বতীৰ এটা ব্ৰঞ্জৰ মূৰ্তি। উল্লেখযোগ্য যে ১৯৬৫ চনত মালায়ালম লেখক জি শংকৰ কুৰুপলৈ প্ৰথমবাৰৰ বাবে এই বঁটা আগবঢ়োৱা হৈছিল।

০০০০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত ডিব্ৰুগড় বিধানসভা সমষ্টিত কালি নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যমিতা ইত্যাদি বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকন মুখ্য অতিথি হিচাপে উপস্থিত থাকি হিতাধিকাৰীসকলক ৰেচন কাৰ্ড বিতৰণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে সমষ্টিটোৰ চাৰি হাজাৰ ৬৬৪ গৰাকী হিতাধিকাৰীক নতুনকৈ সংযোজিত কৰা হয়। ইয়াৰ জৰিয়তে তিনি হাজাৰ ৪৩৫ টা পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত ডিব্ৰুগড়ৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ-পৰিদৰ্শক ভৱেন কুমাৰৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি ধেমাজিত উদযাপন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজন কৰা দিনজোৰা কাৰ্যসূচীত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ সহকাৰী সঞ্চালক কাৰ্তিক সূত্ৰধৰক অনুপ্ৰেৰণা বঁটা, অনুষ্ঠান কাৰ্যবাহী বিষয়া ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, বিনীতা ডেকাক শ্ৰেষ্ঠ ঘোষিকা বঁটা, বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা প্ৰদান কৰা হ'ব। ডিব্ৰুগড কেন্দ্ৰৰ বিন্দু ৰাজখোৱা, গোপা হাজৰিকা, যোৰহাট কেন্দ্ৰৰ গায়ত্ৰী দেৱী, মৃণালী দত্ত শইকীয়া, পূৰবী ভট্টাচাৰ্য আৰু তেজপুৰ কেন্দ্ৰৰ ত্ৰৈলোক্য বৰা, ৰূপালী বৰাক জনপ্ৰিয় ঘোষক-ঘোষিকা বঁটা আগবঢ়োৱা হ'ব। এই একেটা অনুষ্ঠানতে আকাশবাণী গুৱাহাটীৰ টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা, টিয়ক জগদুৱাৰৰ মানস জ্যোতি কটকী আৰু ধেমাজী মাছখোৱাৰ অনুপমা শইকীয়াক শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। মাছখোৱাৰ সংবাদদাতা বীৰেণ কোঁৱৰ আৰু মিণ্টু শইকীয়া, শিৱসাগৰ চাৰিঙৰ পদ্মলোচন খনিকৰক, গৌৰীসাগৰৰ সংবাদদাতা মৃগাংক হাজৰিকাক উৎকৃষ্ট সাংবাদিকিতা বঁটা প্ৰদান কৰা হ'ব। তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহ আৰু ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী জিণ্টু চেতীয়াক প্ৰযোজক বঁটা প্ৰদান কৰিব বুলি সংস্থাটোৰ সভাপতি, সম্পাদকে জানিবলৈ দিয়ে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ নাহৰণিৰ বিভিন্ন অঞ্চলৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত ১১৬ গৰাকী ব্যক্তিক মুখ্যমন্ত্ৰী সাহায্য পুজিৰ প্ৰায় পাঁচ লাখ ৭৫ হাজাৰ টকাৰ চেক বিতৰণ কৰা হয়। স্থানীয় বিধায়ক তৰংগ গগৈয়ে চেকসমূহ বিতৰণ কৰি সকলোকে শীঘ্ৰেই আৰোগ্য লাভ কৰাৰ লগতে এই সহায়ৰ দ্বাৰা ৰোগীসকল উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ BCCIএ আজি নতুন দিল্লীত নমন বঁটা ২০২৬ অনুষ্ঠানৰ জৰিয়তে ভাৰতীয় ক্ৰিকেট তাৰকা তথা ক্ৰীড়া ক্ষেত্ৰখনলৈ বিশেষভাৱে অৱদান আগবঢ়োৱাসকলৰ সাফল্যৰ প্ৰতি সন্মান জনোৱা হব। এই অনুষ্ঠানতে ক্ৰিকেট কিংবদন্তি ৰোজাৰ ৰিনি আৰু ৰাহুল দ্ৰাবিদে ভাৰতীয় ক্ৰিকেটৰ প্ৰতি আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ বাবে বিচিচিআইৰ সৰ্বোচ্চ সন্মান কৰ্ণেল চি কে নায়ুডু জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হ'ব। ইফালে, মহিলা ক্ৰিকেটত উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰতৰ প্ৰাক্তন মহিলা অধিনায়ক মিতালী ৰাজক বিচিচিআইৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৪-২৫ বৰ্ষত ভাৰতীয় ক্ৰিকেটত আগবঢ়োৱা অৱদানৰ বাবে খেলুৱৈসকলক বিভিন্ন শিতানত আজিৰ এই অনুষ্ঠানতে সন্মান জনোৱা হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণৰ দ্বিতীয় দিনা শনিবাৰে শিলচৰত ২৩,৫৫০ কোটি টকাৰ প্ৰকল্প উন্মোচন কৰে । গুৱাহাটীত নিশা কটোৱাৰ পাছত পুৱা শিলচৰ উপস্থিত হৈ ২২ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ হাইৱে প্ৰকল্পৰ আৰম্ভণি কৰে আৰু শিলচৰৰ ৰামনগৰ বাইপাছৰ এখন জনসভাৰ সম্বোধন কৰে । জনসভাত ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে বিৰোধী কংগ্ৰেছক তীব্ৰ কটাক্ষ কৰা এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। দৈনিক জনমভূমি কাকতত প্ৰকাশিত এইঅ বাতৰিটোৰ শিৰোনাম , 'শিলচৰত ২৩,৫৫০ কোটিটকীয়া তিনিখন আঁচনিৰ ভূমি পূজন কৰি প্ৰধানমন্ত্ৰী, পৰাজয়ৰ চেপ্ৰুৱীৰ দিশে কংগ্ৰেছ। গুৱাহাটীৰ পৰা প্ৰকাশিত দি আচাম ট্ৰিবিউন আৰু দি চেন্টিনেল কাকতেও প্ৰধানমন্ত্ৰীৰ বৰাক ভ্ৰমণৰ বাতৰিটোক প্ৰতম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ইফালে দিল্লীৰ পৰা কংগ্ৰেছে দ্বিতীয়খন প্ৰৰ্থী তালিকা প্ৰকাশ কৰা বাতৰিটো আমাৰ অসম কাকতে খালেক, ৰেকিবলৈ টিকট, মিত্ৰদললৈ ১৫টা সমষ্টি শিৰোনামেৰে প্ৰথম পৃষ্ঠান পৰিৱেশন কৰিছে। দুদীনিয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিজেপিৰ যুৱ সন্মিলনত ডেৰ লক্ষাধিক কাৰ্যকৰ্তাক সম্বোধন কৰিব। নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটোক প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। ইফালে এজাক মুষলধাৰ বৰষুণৰ পাছতেই সোণাপুৰৰ জুবিনক্ষেত্ৰত সৃষ্টি হোৱা কদৰ্য্যময় পৰিৱেশে অনুৰাগীক আশাহত কৰা এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে পৰিৱেশন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি শিলচৰ মিনি সচিবালয় উদ্বোধন কৰা বাতৰিটো দৈনিক অসম কাকতত প্ৰকাশ পাইছে। ৰন্ধন গেছৰ নাটনিৰ সময়তে দেশত আকৌ ইন্ধন সহজলভ্য হব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বাতৰিয়ে অসমীয়া খবৰ কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়কে ধৰি ওড়িশা, তেলেংগানা, বিদৰ্ভ, পশ্চিম মধ্য প্ৰদেশ, চণ্ডীগড়, হাৰিয়ানা, পূব উত্তৰ প্ৰদেশ, পঞ্জাৱ আৰু উত্তৰাখণ্ডত শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ সৈতে বজ্ৰপাতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কবাণী জাৰি কৰিছে। আকাশবাণী নিউজৰ সৈতে হোৱা কথা-বতৰাত বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে কয় যে আজি ৰাষ্ট্ৰীয় ৰাজধানীতো ধুমুহা, বজ্ৰপাতৰ বাবে য়েল্লো এলাৰ্ট জাৰি কৰা হৈছে। ইফালে জম্মু, কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান আৰু মুজাফ্ফৰাবাদতো আজি শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ সৈতে বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু অৰুণাচলত পাতলীয়া বৰষুণ তথা মেঘালয় আৰু নাগালেণ্ডৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**